Civil Services (Main) Examination- 2025

SLPM–D–ASM

অসমীয়া (প্ৰশ্নকাকত–II)

(সাহিত্য)

নির্ধাৰিত সময় : 3 ঘণ্টা	সর্বাধিক নম্বৰ : 250

প্ৰশ্নোত্তৰ বহী-সম্পৰ্কীয় বিশেষ নির্দেশনা

প্ৰশ্নোত্তৰ কৰাৰ আগতে তলৰ নির্দেশনাখিনি ভালদৰে পঢ়ি লোৱাঁ

প্ৰশ্নকাকতখনত **দুটা** শাখাত **আঠটা** প্ৰশ্ন দিয়া আছে।

ইয়াৰ ভিতৰত কেৱল **পাঁচটা** প্ৰশ্নৰ উত্তৰ কৰাঁ।

প্ৰশ্ন নং **1** আৰু **5** বাধ্যতামূলক। বাকী **তিনিটাৰ** কাৰণে প্ৰত্যেকটো শাখাৰ পৰা কমেও **এটাকৈ** বাচি লৈ উত্তৰ কৰাঁ।

প্ৰতিটো প্ৰশ্নৰ মূল্যাঙ্ক কাষত উল্লেখ কৰা হৈছে।

প্ৰশ্নৰ উত্তৰ অসমীয়াত কৰাঁ।

শব্দৰ সংখ্যা য'ত যি ধৰণে দিয়া হৈছে, সেই ধৰণে ৰক্ষা কৰাঁ।

প্ৰশ্নৰ উত্তৰসমূহ ক্ৰম অনুসৰি কৰাঁ। আধৰুৱাকৈ কৰা প্ৰশ্নৰ উত্তৰবো মূল্যাঙ্কন কৰা হ'ব। প্ৰশ্ন-সংলগ্ন উত্তৰবহীৰ পৃষ্ঠাৰ কোনো অংশ বা সম্পূৰ্ণ পৃষ্ঠা নিলিখাকৈ এৰিলে তাক স্পষ্টকৈ চিহ্নিত কৰাঁ।

ASSAMESE (PAPER–II)

(LITERATURE)

Time Allowed : Three Hours	Maximum Marks : 250

QUESTION PAPER SPECIFIC INSTRUCTIONS

Please read each of the following instructions carefully before attempting questions

There are EIGHT questions divided in TWO Sections.

Candidate has to attempt FIVE questions in all.

Question Nos. **1** and **5** are compulsory and out of the remaining, THREE are to be attempted choosing at least ONE question from each Section.

The number of marks carried by a question/part is indicated against it.

Answers must be written in ASSAMESE (Assamese Script).

Word limit in questions, wherever specified, should be adhered to.

Attempts of questions shall be counted in sequential order. Unless struck off, attempt of a question shall be counted even if attempted partly. Any page or portion of the page left blank in the Question-cum-Answer Booklet must be clearly struck off.

Optional Province · optionalprovince.com

SECTION—A

1. তলত দিয়া প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150*টা শব্দৰ ভিতৰত লিখাঁ : 10×5=50

(a) মাধৱ কন্দলিৰ 'ৰামায়ণ'ৰ 'অযোধ্যা কাণ্ড'ত ৰামৰ অভিষেকৰ বতৰা পোৱাৰ পিছত মন্থৰাই কৈকেয়ীক কেনেদৰে কুমন্ত্ৰণা দিছিল, বিৱৰি লিখাঁ।

(b) '' 'পাৰিজাত হৰণ' নাটত ৰুক্মিণীক এগৰাকী সৰ্বগুণসম্পন্না নাৰীৰূপে চিত্ৰিত কৰা হৈছে।'' এই কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰাঁ।

(c) ''শৃঙ্গাৰ ৰসে যাৰ আছে ৰতি।
আকে শুনি হোক নিৰ্ম্মল মতি॥''

'কীৰ্ত্তন-ঘোষা'ৰ 'ৰাসক্ৰীড়া' অধ্যায়ত শ্ৰীমন্ত শংকৰদেৱে উক্ত পদ দুফাঁকি সন্নিৱিষ্ট কৰাৰ কাৰণসমূহ বিশ্লেষণ কৰাঁ।

(d) ''বাৎসল্য প্ৰেম মাধৱদেৱৰ ভক্ত জীৱনৰ সৰ্বস্ব।'' মাধৱদেৱৰ ৰৰগীতৰ আধাৰত এই কথাষাৰৰ তাৎপৰ্য বিশ্লেষণ কৰাঁ।

(e) 'কথা-ভাগৱত'ৰ আধাৰত কবিৰত্ন বৈকুণ্ঠনাথ ভট্টাচাৰ্য্যৰ গদ্যৰীতিৰ প্ৰধান বিশেষত্বসমূহ চমুকৈ লিখাঁ।

2. তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) 'গুৰুচৰিত-কথা'ত সমকালীন অসমৰ ধৰ্মীয় জীৱনৰ চিত্ৰ কেনেদৰে প্ৰতিফলিত হৈছে, সেই বিষয়ে মহাপুৰুষ শংকৰদেৱৰ জীৱন-বৃত্তৰ আধাৰত বিশ্লেষণ কৰাঁ। 20

(b) 'ৰাজসূয়' কাব্যখনৰ মাজেৰে মাধৱদেৱৰ কবিত্ব শক্তিৰ পৰিচয় কেনেদৰে ফুটি ওলাইছে, আলোচনা কৰাঁ। 15

(c) মাতৃ কৌশল্যাৰ বুজনি যুক্তিৰে খণ্ডন কৰি ৰামে বনলৈ যাবলৈ প্ৰস্তুত হোৱাৰ সময়ত কৌশল্যাই কিৰূপে পুত্ৰক আশীৰ্বাদ দিছিল, 'অযোধ্যা কাণ্ড'ৰ আলমত বৰ্ণনা কৰাঁ। 15

3. তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) ''ৰৰগীতবোৰ ওখ নৈতিক আৰু আধ্যাত্মিক ভাৱৰ ওপৰত প্ৰতিষ্ঠিত।'' বাণীকান্ত কাকতিয়ে উত্থাপন কৰা উক্ত কথাষাৰৰ আলমত ৰৰগীতৰ বিষয়বস্তু সম্পৰ্কে আলোচনা কৰাঁ। 20

(b) 'কথা-ভাগৱত'ৰ দ্বিতীয় স্কন্ধত হৰিভক্তিৰ মহিমা কিদৰে অভিব্যক্ত হৈছে, তোমাৰ ভাষাৰে বৰ্ণনা কৰাঁ। 15

(c) 'কীৰ্ত্তন-ঘোষা'ৰ 'ৰাসক্ৰীড়া' অধ্যায়ত বৰ্ণিত গোপীসকলৰ কৃষ্ণপ্ৰেমৰ তাৎপৰ্য বিচাৰ কৰাঁ। 15

4. তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) 'পাৰিজাত ফুল'ক কেন্দ্ৰ কৰি শংকৰদেৱৰ 'পাৰিজাত হৰণ' নাটখনৰ বিষয়বস্তুৱে কেনেদৰে বিকাশ লাভ কৰিছে, আলোচনা কৰাঁ। 20

(b) 'ৰাজসূয়' কাব্যত ক'ত, কেনেদৰে একশৰণ ভক্তিৰ প্ৰকাশ ঘটিছে, উদাহৰণসহ আলোচনা কৰাঁ। 15

(c) 'চৰিত তোলা প্ৰথা'ৰ সংজ্ঞা দাঙি ধৰি মধ্যযুগত চৰিত-সাহিত্যৰ বিস্তৃতিৰ ক্ষেত্ৰত বিভিন্ন সত্ৰ অনুষ্ঠানৰ ভূমিকা সম্পৰ্কে বৰ্ণনা কৰাঁ। 15

Optional Province · optionalprovince.com

SECTION—B

5. তলত দিয়া প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150*টা শব্দৰ ভিতৰত লিখাঁ : 10×5=50

(a) বেজবৰুৱাই 'মোৰ জীৱন সোঁৱৰণ'ত বৰপেটাৰ কোনকেইটা স্মৃতিৰ বিষয়ে লিপিবদ্ধ কৰিছে, তোমাৰ ভাষাৰে লিখাঁ।

(b) 'প্ৰতিমা' কাব্যপুথিৰ মাজেৰে কবি চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিপ্ৰতিভা কেনেদৰে ফুটি উঠিছে, লিখাঁ।

(c) জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'কাৰেঙৰ লিগিৰী' নাটকৰ সুন্দৰ কোঁৱৰ চৰিত্ৰটিৰ চাৰিত্ৰিক বৈশিষ্ট্যসমূহ বিচাৰ কৰাঁ।

(d) 'মৃত্যুঞ্জয়' উপন্যাসৰ মাজেৰে সমকালীন অসমীয়া সমাজ-জীৱনৰ প্ৰতিচ্ছবি কেনেদৰে পৰিস্ফুট হৈছে, আলোচনা কৰাঁ।

(e) নৱকান্ত বৰুৱাৰ 'সম্ৰাট' কবিতাটিত দৃষ্টিহীন সম্ৰাটৰ মানসিক গ্লানিৰ চিত্ৰ কেনেদৰে ফুটি উঠিছে, বিশ্লেষণ কৰাঁ।

6. তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) 'জীৱনৰ বাটত' উপন্যাসখনত অসমীয়া নিম্ন মধ্যবিত্ত শ্ৰেণীৰ ৰূপায়ণৰ লগতে পাৰিবাৰিক জীৱনৰ প্ৰাত্যহিক চিত্ৰাঙ্কনত ঔপন্যাসিকৰ দক্ষতা কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰাঁ। 20

(b) 'গাঁওবুঢ়া' নাটকত ভোগমন গাঁওবুঢ়াৰ জীৱনৰ কাৰুণ্য আৰু দুৰ্দশাৰ ছবি কেনেদৰে ৰূপায়িত হৈছে, বিৱৰি লিখাঁ। 15

(c) 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা'ত বিমল হাস্যৰস আৰু তীব্ৰ ব্যঙ্গই কেনেদৰে সহাৱস্থান কৰিছে, বুজাই লিখাঁ। 15

7. তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) 'মনোমতী' উপন্যাসত মানৰ আক্ৰমণৰ চিত্ৰ কেনেদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰাঁ। 20

(b) লক্ষ্মীনাথ বেজবৰুৱাৰ কৃপাবৰী ৰচনাসমূহৰ অন্তৰ্নিহিত উদ্দেশ্য আৰু তাৎপৰ্য বিশ্লেষণ কৰাঁ। 15

(c) নৱকান্ত বৰুৱাৰ কবিতাত আধুনিক কবিতাৰ কি কি বৈশিষ্ট্য প্ৰকাশ পাইছে, তোমাৰ পাঠ্যৰ আধাৰত বিচাৰ কৰাঁ। 15

8. তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) ''নামঘোষাত প্ৰধানতঃ তিনিটা ভাবৰ ধাৰা মিহলি হৈ বিশাল আনন্দ সাগৰৰ ফালে প্ৰৱাহমান হৈছে পুণ্য-শ্লোক শঙ্কৰ-স্মৃতি, মাধৱদেৱৰ আত্ম-লঘিমা আৰু কৃষ্ণ-ভক্তি-মাহাত্ম্য।'' বাণীকান্ত কাকতিৰ পূৰণি অসমীয়া সাহিত্যৰ অন্তৰ্গত 'নামঘোষা' প্ৰবন্ধৰ আলমত উক্ত কথাফাঁকি বিচাৰ কৰাঁ। 20

(b) 'কাৰেঙৰ লিগিৰী' নাটকৰ শেৱালি চৰিত্ৰটিৰ আত্মত্যাগৰ মাজেদি প্ৰেমৰ মহত্ত্ব কেনেদৰে প্ৰকাশ পাইছে, বিচাৰ কৰাঁ। 15

(c) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়' উপন্যাসৰ নাৰী চৰিত্ৰকেইটিৰ বিষয়ে এটি বিশ্লেষণ আগবঢ়োৱাঁ। 15

★★★

Optional Province · optionalprovince.com